# বিশ্বব্যাপী স্বীকৃত মানৱাধিকাৰ আৰু মৌলিক স্বাধীনতাসমূহ বিকশাই তোলা আৰু সুৰক্ষিত কৰাৰ নিমিত্তে ব্যক্তি, জনসমষ্টি আৰু সামাজিক সংগঠনসমূহৰ অধিকাৰ আৰু দায়িত্ব-বিষয়ক ঘোষণা

ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগ
ফৰিদকোট হাউছ, ক'পাৰনিকাছ মাৰ্গ,
নতুন দিল্লী-১১০০০১

# বিশ্বব্যাপী স্বীকৃত মানৱাধিকাৰ আৰু মৌলিক স্বাধীনতাসমূহ বিকশাই তোলা আৰু সুৰক্ষিত কৰাৰ নিমিত্তে ব্যক্তি, জনসমষ্টি আৰু সামাজিক সংগঠনসমূহৰ অধিকাৰ আৰু দায়িত্ব-বিষয়ক ঘোষণা


ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগ

ফৰিদকোট হাউছ, কʼপাৰনিকাছ মাৰ্গ,

নতুন দিল্লী-১১০০০১

বিশ্বব্যাপী স্বীকৃত মানৱাধিকাৰ আৰু মৌলিক স্বাধীনতাসমূহ বিকশাই তোলা আৰু সুৰক্ষিত কৰাৰ নিমিত্তে ব্যক্তি, জনসমষ্টি আৰু সামাজিক সংগঠনসমূহৰ অধিকাৰ আৰু দায়িত্ব-বিষয়ক ঘোষণা

ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগ
ফৰিদকোট হাউছ, ক'পাৰনিকাছ মাৰ্গ,
নতুন দিল্লী-১১০০০১

১৯৯৮ চনৰ ৯ ডিচেম্বৰত সাধাৰণ পৰিষদৰ ৫৩/১৪৪ নং প্ৰস্তাৱমৰ্মে গৃহীত

সাধাৰণ পৰিষদে,

বিশ্বৰ সকলো ৰাষ্ট্ৰৰ সকলো ব্যক্তিৰ বাবে সকলো মানৱাধিকাৰ আৰু মৌলিক স্বাধীনতাৰ বিকাশ আৰু সুৰক্ষা-বিষয়ক ৰাষ্ট্ৰসংঘৰ চনদৰ উদ্দেশ্যাৱলী আৰু নীতিসমূহৰ পালনৰ গুৰুত্ব পুনৰায় নিশ্চিত কৰি,

মানৱাধিকাৰ আৰু মৌলিক স্বাধীনতাক মান্যতা প্ৰদান আৰু ইবোৰৰ প্ৰতি বিশ্বব্যাপী শ্ৰদ্ধা বিকশাই তোলাৰ আন্তৰ্জাতিক প্ৰয়াসৰ উপাদান হিচাপে মানৱাধিকাৰ-বিষয়ক বিশ্বজনীন ঘোষণা আৰু মানৱাধিকাৰ-বিষয়ক আন্তৰ্জাতিক চুক্তিসমূহ আৰু ৰাষ্ট্ৰসংঘৰ পদ্ধতিৰ ভিতৰত তথা মাণ্ডলিক পৰ্যায়ত গৃহীত অন্যান্য মানৱাধিকাৰ-বিষয়ক দলিলসমূহৰ গুৰুত্বও পুনৰায় নিশ্চিত কৰি,

গোষ্ঠী, বৰ্ণ, লিংগ, ভাষা, ধৰ্ম, ৰাজনৈতিক অথবা অন্য মত, জাতিগত কিম্বা সামাজিক মূল, সম্পত্তি, জন্মগত অথবা অন্য মৰ্যাদাকে ধৰি যিকোনো প্ৰকাৰৰ বৈষম্য নোহোৱাকৈ সকলোৰে বাবে মানৱাধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন উৎসাহিত কৰা তথা বিকশাই তোলাৰ বাবে বিশ্ব-সম্প্ৰদায়ৰ সকলো সদস্যই যৌথভাৱে কিম্বা পৃথকে তেওঁলোকৰ একনিষ্ঠ দায়বদ্ধতা পূৰণ কৰাত গুৰুত্ব আৰোপ কৰি চনদ অনুসৰি এই দায়বদ্ধতা পূৰণ কৰাত আন্তৰ্জাতিক সহযোগ লাভৰ বিশেষ গুৰুত্ব পুনৰায় নিশ্চিত কৰি,

বৰ্ণবৈষম্য, সকলো প্ৰকাৰৰ গোষ্ঠী-বৈষম্য, ঔপনিৱেশিকতা-বাদ, বিদেশী নিয়ন্ত্ৰণ অথবা দখল, আক্ৰমণ কিম্বা ৰাষ্ট্ৰীয় সাৰ্বভৌমত্বৰ প্ৰতি ভাবুকি, জাতীয় ঐক্য আৰু ক্ষেত্ৰীয় অখণ্ডতা আৰু জনগণৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰক স্বীকৃতি প্ৰদান কৰিবলৈ অসন্মতি আৰু প্ৰতিটো জাতিৰ নিজ সম্পত্তি

আৰু প্ৰাকৃতিক সম্পদৰ ওপৰত পূৰ্ণ সাৰ্বভৌমত্ব প্ৰয়োগৰ অধিকাৰ ইত্যাদিৰ পৰা উদ্ভূত ব্যাপক, দেখ দেখ আৰু প্ৰণালীবদ্ধ উল্লংঘনকে ধৰি মানৱাধিকাৰ আৰু মৌলিক স্বাধীনতাৰ সকলো উল্লংঘনৰ ফলপ্ৰসূ অপনয়নৰ অৰ্থে অৱদান যোগোৱাৰ দিশত আন্তৰ্জাতিক সহযোগিতাৰ গুৰুত্বপূৰ্ণ ভূমিকা আৰু ব্যক্তি, গোষ্ঠী তথা সংঘসমূহৰ মূল্যৱান কাৰ্যাৱলী স্বীকাৰ কৰি,

আন্তৰ্জাতিক শান্তি আৰু নিৰাপত্তাৰ মাজৰ সম্বন্ধ তথা মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাসমূহ উপভোগৰ অধিকাৰক স্বীকৃতি দি আৰু আন্তৰ্জাতিক শান্তি তথা নিৰাপত্তাৰ অভাৱ যাতে ইয়াৰ অমান্যকৰণৰ অজুহাত নহয় তাৰ প্ৰতি সতৰ্ক থাকি,

সকলো মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰতিটোৰে ৰূপায়ণৰ ক্ষেত্ৰত বৈষম্য পৰিহাৰ কৰি ইবোৰৰ

বিশ্বজনীনতা, অবিভাজ্যতা, পৰস্পৰনির্ভৰতা আৰু পৰস্পৰ সম্বন্ধ তথা ন্যায় আৰু সমতাৰ আধাৰত উত্তৰণ তথা ৰূপায়ণৰ গুৰুত্ব দোহাৰি,

মানৱ-অধিকাৰ আৰু বৌদ্ধিক স্বাধীনতাসমূহ বিকশিত তথা সুৰক্ষিত কৰাৰ মুখ্য দায়িত্ব আৰু কৰ্তব্য ৰাষ্ট্ৰযন্ত্ৰৰ শিৰোধাৰ্য— এই বিষয়ত গুৰুত্ব আৰোপ কৰি,

ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাসমূহৰ প্ৰতি শ্ৰদ্ধা সৃষ্টি আৰু আৰু জ্ঞান বিকশাই তোলাৰ ক্ষেত্ৰত ব্যক্তি, জনসমষ্টি আৰু সংঘসমূহৰ অধিকাৰ আৰু দায়িত্বক স্বীকৃতি দি,

ঘোষণা কৰে ঃ

অনুচ্ছেদ - ১

ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মানৱ-অধিকাৰ আৰু

মৌলিক স্বাধীনতাসমূহৰ উত্তৰণ তথা সুৰক্ষা আৰু বাস্তৱায়নৰ অৰ্থে অহোপুৰুষাৰ্থ কৰিবলৈ ব্যক্তিগতভাৱে আৰু সংঘবদ্ধভাৱে প্ৰত্যেকৰে অধিকাৰ আছে।

অনুচ্ছেদ - ২

১. সকলো মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতা সুৰক্ষিত, বিকশিত আৰু কাৰ্যকৰী কৰাৰ উপৰি সামাজিক, আৰ্থিক, ৰাজনৈতিক আৰু অন্যান্য ক্ষেত্ৰত আৱশ্যকীয় পৰিৱেশ ৰচনাৰ্থে প্ৰয়োজনীয় পদক্ষেপ লোৱা তথা ইয়াৰ ক্ষেত্ৰাধিকাৰৰ অন্তৰ্গত সকলো ব্যক্তিয়ে ব্যক্তিগতভাৱে আৰু সংঘবদ্ধভাৱে যাতে বাস্তৱত সেই সকলো অধিকাৰ তথা স্বাধীনতা উপভোগ কৰিবলৈ সমৰ্থ হয়, তাক নিশ্চিত কৰিবলৈ আৱশ্যকীয় ন্যায়িক প্ৰতিভূতি প্ৰদান কৰাত ৰাষ্ট্ৰৰ এক মুখ্য দায়িত্ব আছে।

২. প্ৰতি ৰাষ্ট্ৰই আৱশ্যক অনুযায়ী এনে বিধায়িনী, প্ৰশাসনীয় আৰু অন্যান্য পদক্ষেপ ল'ব, যাৰ দ্বাৰা এই ঘোষণাত নিৰ্দেশ কৰা অধিকাৰ আৰু স্বাধীনতাসমূহ ফলপ্ৰসূভাৱে সুৰক্ষিত হয়।

## অনুচ্ছেদ - ৩

মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাসমূহৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ চনদ আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় দায়বদ্ধতাসমূহৰে সংগতি থকা অভ্যন্তৰীণ আইনেই ইয়াৰ ন্যায়িক পৰিগাঁথনি, যাৰ ভিতৰত মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাসমূহ কাৰ্যকৰী আৰু উপভোগ কৰা বাঞ্ছনীয় আৰু যাৰ আওতাৰ ভিতৰত সেই অধিকাৰ আৰু স্বাধীনতাসমূহৰ বিকাশ, সুৰক্ষা আৰু কাৰ্যকৰী ৰূপায়ণৰ অৰ্থে এই ঘোষণাত নিৰ্দেশ কৰা কাৰ্যাৱলী গ্ৰহণৰ ব্যৱস্থা হোৱা বাঞ্ছনীয়।

## অনুচ্ছেদ - ৪

এই ঘোষণাৰ অন্তৰ্গত একো কথাকেই ৰাষ্ট্ৰসংঘৰ চনদৰ উদ্দেশ্য আৰু নীতিসমূহৰ পৰিপন্থী অথবা ই মানৱ-অধিকাৰ-বিষয়ক বিশ্বজনীন ঘোষণা অথবা এই ক্ষেত্ৰত প্ৰযোজ্য মানৱ-অধিকাৰ-বিষয়ক আন্তৰ্জাতিক চুক্তি আৰু আন্তৰ্জাতিক নথিসমূহক সীমিত কিম্বা হেয় কৰা বুলি ভাবিব নালাগে।

## অনুচ্ছেদ - ৫

মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাসমূহ বিকশাই তোলা আৰু সুৰক্ষিত কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ব্যক্তিগত কিম্বা সংঘবদ্ধভাৱে প্ৰতিজন ব্যক্তিৰ এইবোৰ অধিকাৰ আছে—

(ক) শান্তিপূৰ্ণভাৱে সাক্ষাৎ কৰা কিম্বা সমৱেত হোৱা;

(খ) অনাচৰকাৰী সংগঠন, সংঘ কিম্বা গোট গঠন কৰা, এনে সংগঠন আদিত যোগদান আৰু অংশ গ্ৰহণ কৰা;

(গ) অনাচৰকাৰী আৰু আন্তঃচৰকাৰী সংগঠনসমূহৰ লগত যোগাযোগ কৰা।

**অনুচ্ছেদ - ৬**

ব্যক্তিগতভাৱে কিম্বা সংঘবদ্ধভাৱে প্ৰত্যেক ব্যক্তিৰে এইবোৰ অধিকাৰ আছে—

(ক) সকলো মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাই অভ্যন্তৰীণ বিধায়িনী, ন্যায়িক আৰু প্ৰশাসনীয় ব্যৱস্থাৱলীত কিদৰে সুফল দিয়ে, সেই বিষয়ৰ তথ্যকে ধৰি এই অধিকাৰসমূহৰ সন্দৰ্ভত তথ্য সম্বন্ধে অৱগত হোৱা, তথ্য বিচৰা, লাভ কৰা, গ্ৰহণ কৰা আৰু সঞ্চয় কৰা;

(খ) মানৱ-অধিকাৰ-বিষয়ক আৰু অন্যান্য প্ৰযোজ্য আন্তঃৰাষ্ট্ৰীয় নথিসমূহত সন্নিৱিষ্ট হোৱাৰ দৰে সকলো মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতা-বিষয়ক আনৰ মত, তথ্য আৰু জ্ঞান সন্দৰ্ভত মুক্তভাৱে স্বমত প্ৰকাশ কৰা, সিবোৰৰ উৎকৰ্ষ অথবা প্ৰসাৰ ঘটোৱা;

(গ) আইনত আৰু কাৰ্যত উভয়তে সকলো মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ ৰক্ষণ সন্দৰ্ভত অধ্যয়ন, আলোচনা, জনমত গঠন আৰু ৰক্ষণৰ জৰিয়তে আৰু অন্যান্য উপযুক্ত উপায়ৰ দ্বাৰা সেইবোৰ বিষয়লৈ ৰাজহুৱা দৃষ্টি আকৰ্ষণ কৰা।

অনুচ্ছেদ - ৭

মানৱ-অধিকাৰ-বিষয়ক নতুন ধ্যান-ধাৰণা আৰু নীতি গঢ়ি তোলা আৰু আলোচনা কৰা আৰু সিবোৰৰ গ্ৰহণযোগ্যতাৰ

সমৰ্থনত যুক্তি দৰ্শাবলৈ ব্যক্তিগতভাৱে আৰু সংঘবদ্ধভাৱে প্ৰতিজন ব্যক্তিৰে অধিকাৰ আছে।

## অনুচ্ছেদ - ৮

নিজ দেশৰ চৰকাৰ আৰু ৰাজহুৱা কৰ্ম-পদ্ধতিত বৈষম্যবিহীন ভিত্তিত অংশ গ্ৰহণ কৰিবলৈ ফলপ্ৰসূ অভিগম্যতা লাভ কৰাৰ অধিকাৰ ব্যক্তিগত কিম্বা সংঘবদ্ধভাৱে প্ৰতিজন ব্যক্তিৰে আছে।

২. অন্যান্য বিষয়ৰ লগতে ব্যক্তিগত আৰু সংঘবদ্ধভাৱে চৰকাৰী নিকায়, অভিকৰণ আৰু সংগঠনসমূহৰ ওচৰত সিবিলাকৰ কৰ্মপদ্ধতি উন্নত কৰাৰ উদ্দেশ্যে সমালোচনা আৰু পৰামৰ্শ দাখিল কৰাৰ আৰু মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ বিকাশ, সুৰক্ষা আৰু বাস্তৱায়ন বাধাগ্ৰস্ত কিম্বা ক্ষতিগ্ৰস্ত কৰিব পৰা

সিবিলাকৰ কাৰ্যাৱলীৰ যিকোনো দিশলৈ দৃষ্টি আকৰ্ষণ কৰাৰ অধিকাৰ ইয়াত অন্তৰ্ভুক্ত হৈছে।

অনুচ্ছেদ - ৯

১. মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰয়োগ কৰোঁতে এই ঘোষণাত নিৰ্দেশ কৰাৰ ধৰণে মানৱ-অধিকাৰৰ বিকাশ আৰু সুৰক্ষাকে ধৰি ফলপ্ৰসূ নিৰাময়ৰ দ্বাৰা উপকৃত হ'বলৈ আৰু সেই অধিকাৰসমূহৰ উল্লংঘনৰ বেলিকা সুৰক্ষা লভিবলৈ ব্যক্তিগত আৰু সংঘবদ্ধভাৱে প্ৰত্যেকৰে অধিকাৰ আছে।

২. এইটো প্ৰান্তত, প্ৰত্যেক ব্যক্তি, যাৰ দ্বাৰা অধিকাৰ কিম্বা স্বাধীনতা উল্লংঘন হোৱাৰ অভিযোগ উত্থাপিত হৈছে, তেওঁ বিধিৰ দ্বাৰা স্থাপিত এক স্বতন্ত্ৰ, নিৰপেক্ষ

আৰু অৰ্হতাসম্পন্ন ন্যায়িক কিম্বা অন্য প্ৰাধিকৰণৰ সমুখত নিজে অথবা ন্যায়িকভাৱে কৰ্তৃত্বশীল প্ৰতিনিধিৰ দ্বাৰা অভিযোগ দাখিল কৰাৰ আৰু সেই অভিযোগ ৰাজহুৱা গুনানিৰ দ্বাৰা পৰ্যালোচনা কৰোৱাৰ আৰু যি ক্ষেত্ৰত সেই ব্যক্তিৰ অধিকাৰ বা স্বাধীনতাৰ উল্লংঘন হৈছে, তেনে ক্ষেত্ৰত অপ্ৰয়োজনীয় বিলম্ব নঘটাকৈ আইন অনুযায়ী প্ৰাপ্য ক্ষতিপূৰণকে ধৰি পৰৱৰ্তী সিদ্ধান্ত আৰু ক্ষতিপূৰণ প্ৰদানৰ নিৰ্দেশ এনে এক প্ৰাধিকৰণৰ পৰা লাভ কৰাৰ অধিকাৰ আছে।

৩. অন্যান্য বিষয়ৰ লগতে একেটা পক্ষৰ বাবে ব্যক্তিগতভাৱে কিম্বা সংঘবদ্ধভাৱে প্ৰত্যেক ব্যক্তিৰে অধিকাৰ সিদ্ধ হৈছে—

(ক) ৰাষ্ট্ৰৰ ন্যায়িক ব্যৱস্থাই আগ বঢ়োৱা যোগ্য অভ্যন্তৰীণ ন্যায়িক, প্ৰশাসনিক অথবা বিধায়িনী

কর্তৃপক্ষ কিম্বা আন যিকোনো যোগ্য কর্তৃপক্ষৰ ওচঁৰত মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ উল্লংঘন সন্দৰ্ভত কোনো কৰ্মচাৰী আৰু চৰকাৰী নিকায়ৰ নীতি আৰু কৰ্ম সম্বন্ধে দৰখাস্ত কিম্বা অন্য উপযুক্ত উপায়েৰে অভিযোগ দাখিল কৰিবলৈ (সেই কর্তৃপক্ষই প্ৰাপ্ত অভিযোগ সন্দৰ্ভত অযথা বিলম্ব নঘটাকৈ সিবিলাকৰ সিদ্ধান্ত প্ৰদান কৰা উচিত);

(খ) ৰাষ্ট্ৰীয় আইন আৰু প্ৰযোজ্য আন্তঃৰাষ্ট্ৰীয় বাধ্যবাধকতা আৰু দায়বদ্ধতাসমূহৰ লগত সংগতি সন্দৰ্ভত জনমত গঠনৰ উদ্দেশ্যে ৰাজহুৱা শুনানি, ন্যায়িক কাৰ্যক্ৰমণিকা আৰু বিচাৰত উপস্থিত থাকিবলৈ;

(গ) মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতা ৰক্ষাৰ্থে

বৃত্তিগতভাৱে অৰ্হতাসম্পন্ন ন্যায়িক সাহায্য প্ৰদান কিম্বা অন্য প্ৰাসংগিক পৰামৰ্শ আৰু সাহায্যৰ ব্যৱস্থা কৰিবলৈ।

৪. একেদৰে মানৱ-অধিকাৰ আৰু মৌলিক অধিকাৰ সন্দৰ্ভত সাধাৰণ বা বিশেষ যোগ্যতাবিশিষ্ট আন্তঃৰাষ্ট্ৰীয় নিকায়ৰে প্ৰযোজ্য আন্তঃৰাষ্ট্ৰীয় দলিল আৰু পদ্ধতি অনুযায়ী অবাধ অভিগম্যতা লাভ আৰু যোগাযোগ স্থাপনৰ বাবে ব্যক্তিগত আৰু সংঘবদ্ধভাৱে প্ৰত্যেকৰে অধিকাৰ আছে।

৫. কোনো ৰাষ্ট্ৰৰ এক্তিয়াৰভুক্ত যিকোনো স্থানত মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ উল্লংঘন হোৱাৰ সন্দৰ্ভত যেতিয়াই বিশ্বাসৰ যুক্তিযুক্ত থল থাকিব, তেতিয়াই ৰাষ্ট্ৰই ক্ষিপ্ৰ আৰু নিৰপেক্ষ তদন্ত চলাব অথবা তদন্ত হোৱাটো নিশ্চিত কৰিব।

অনুচ্ছেদ - ১০

কোনো কার্যৰ জৰিয়তে কিম্বা প্রয়োজনীয় স্থলত তেনে কার্য সম্পাদনত ব্যর্থ হৈ মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ উল্লংঘনত কোনেও প্রবৃত্ত নহ'ব আৰু তেনে কৰিবলৈ অমান্তি হোৱাৰ হেতু কাকো শাস্তি অথবা বিষম পৰিস্থিতিৰ সন্মুখীন কৰোৱা নহ'ব।

অনুচ্ছেদ - ১১

ব্যক্তিগতভাৱে কিম্বা সংঘবদ্ধভাৱে বৈধ ৰূপত নিজ জীৱিকা বা বৃত্তি চলাই যাবলৈ প্রত্যেকৰে অধিকাৰ আছে। যি নিজ বৃত্তিৰ পৰিণতি হিচাপে আনৰ মানৱীয় মর্যাদা, মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাক প্রভাৱিত কৰিবৰ সম্ভাৱনা থাকে, তেওঁলোকে তেনে অধিকাৰ আৰু স্বাধীনতাৰ প্রতি শ্রদ্ধা প্রদর্শন কৰা

বাঞ্ছনীয় আৰু জীৱিকা-বিষয়ক তথা বৃত্তিগত আচৰণ আৰু নৈতিকতা-সংক্রান্ত প্রাসংগিক ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় মানসমূহ মানি চলা উচিত।

অনুচ্ছেদ - ১২

১. মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতা উল্লংঘনৰ বিৰুদ্ধে সংগঠিত শান্তিপূর্ণ কার্যসূচীত ব্যক্তিগতভাৱে বা সংঘবদ্ধভাৱে অংশ গ্রহণৰ অধিকাৰ প্রত্যেকৰে আছে।

২. এই ঘোষণাত নির্দেশ কৰা অধিকাৰসমূহৰ বৈধ প্রয়োগৰ পৰিণতিত উদ্ভৱ হোৱা যিকোনো হিংসা, ভাবুকি, প্রতিহিংসা, কার্যত বা নামত বৈষম্য, হেঁচা-প্রয়োগ অথবা আন যিকোনো অযুক্তিকৰ কার্যৰ বিৰুদ্ধে ব্যক্তিগত বা সংঘবদ্ধ ৰূপত প্রত্যেকৰে সুৰক্ষা যোগ্য কর্তৃপক্ষৰ দ্বাৰা নিশ্চিত কৰিবলৈ ৰাষ্ট্রই সকলো আৱশ্যকীয় ব্যৱস্থা গ্রহণ কৰিব।

৩. এই সন্দৰ্ভত, ৰাষ্ট্ৰৰ শিৰোধাৰ্য কিন্তু উপেক্ষিত কাৰ্য-ব্যৱস্থাৰ ফলত উদ্ভৱ হোৱা মানৱ-অধিকাৰ আৰু মৌলিক অধিকাৰসমূহ উপভোগ কৰাত উদ্ভৱ হোৱা অন্তৰায়ৰ বিৰুদ্ধে শান্তিপূৰ্ণ উপায়, কাৰ্য আৰু সক্ৰিয়তাৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰোঁতে কিম্বা বিৰোধ প্ৰকট কৰোঁতে ৰাষ্ট্ৰীয় আইনৰ অধীনত ফলপ্ৰসূভাৱে সুৰক্ষিত হ'বলৈ ব্যক্তিগতভাৱে আৰু সংঘবদ্ধভাৱে প্ৰত্যেকেই অৰ্হতাসম্পন্ন।

## অনুচ্ছেদ - ১৩

এই ঘোষণাৰ তৃতীয় অনুচ্ছেদ অনুযায়ী শান্তিপূৰ্ণ উপায়েৰে মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ বিকাশ আৰু সুৰক্ষাৰ সুস্পষ্ট উদ্দেশ্যত সম্পদ আহ্বান, গ্ৰহণ আৰু সদ্ব্যৱহাৰ কৰিবলৈ ব্যক্তিগতভাৱে আৰু সংঘবদ্ধভাৱে প্ৰত্যেকৰে অধিকাৰ আছে।

## অনুচ্ছেদ - ১৪

১. কোনা ৰাষ্ট্ৰৰ ক্ষেত্ৰাধিকাৰৰ অন্তৰ্গত সকলো ব্যক্তিৰে নাগৰিক, ৰাজনৈতিক, আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সম্বন্ধে ধাৰণা বিকশাই তুলিবলৈ বিধায়িনী, ন্যায়িক, প্ৰশাসনিক কিম্বা অন্যান্য উপযুক্ত ব্যৱস্থা ল'বলৈ ৰাষ্ট্ৰৰ দায়িত্ব আছে।

২. অন্যান্য বিষয়ৰ লগতে এনে ব্যৱস্থাৱলীয়ে সামৰি ল'ব ঃ

(ক) ৰাষ্ট্ৰীয় আইন আৰু বিধিসমূহ তথা প্ৰযোজ্য মৌলিক আন্তৰ্জাতিক মানৱ-অধিকাৰ-বিষয়ক দলিলসমূহৰ প্ৰকাশন আৰু সৰ্বত্ৰ সহজলভ্যতা;

(খ) আন্তঃৰাষ্ট্ৰীয় মানৱ-অধিকাৰ-বিষয়ক চুক্তিসমূহৰ দ্বাৰা প্ৰতিষ্ঠিত নিকায়সমূহলৈ ৰাষ্ট্ৰই (যাৰ ইও এটা পক্ষ) প্ৰেৰণ কৰা পৰ্যায়ী প্ৰতিৱেদনসমূহ

তথা আলোচনাৰ সাৰমৰ্মৰ প্ৰতিলিপি আৰু এই নিকায়সমূহৰ আনুষ্ঠানিক প্ৰতিৱেদনকে ধৰি মানৱ-অধিকাৰৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় নথিসমূহৰ প্ৰতি সম্পূৰ্ণ আৰু সমান অভিগম্যতা।

৩. উপযুক্ত স্থলত মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ বিকাশ আৰু সুৰক্ষাৰ নিমিত্তে ইয়াৰ ক্ষেত্ৰাধিকাৰৰ অন্তৰ্গত সকলো স্থানত অধিক হাৰত স্বতন্ত্ৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ সৃষ্টি আৰু উন্নয়ন ৰাষ্ট্ৰই নিশ্চিত কৰিব আৰু তাৰ ব্যয় বহন কৰিব, সেয়া লাগিলে লোকপালেই হওক, মানৱ-অধিকাৰ আয়োগেই হওক অথবা আন প্ৰকাৰৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানেই হওক।

অনুচ্ছেদ - ১৫

শিক্ষাৰ সকলো স্তৰত মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ শিক্ষণ বিকশাই তোলা আৰু সহজসাধ্য

কৰি তোলা আৰু আইনজীৱী, আইন বলৱৎকাৰী প্ৰাধিকাৰী, সশস্ত্ৰ বাহিনীৰ সদস্যসকল আৰু ৰাজহুৱা কৰ্মচাৰীসকলৰ প্ৰশিক্ষণৰ দায়িত্বত থকা সকলোৱে তেওঁলোকৰ প্ৰশিক্ষণ কাৰ্যসূচীত মানৱ-অধিকাৰ বিষয়ৰ উপযুক্ত উপাদানৰ অন্তৰ্ভুক্তি নিশ্চিত কৰাৰ দায়িত্ব ৰাষ্ট্ৰৰ শিৰোধাৰ্য।

অনুচ্ছেদ - ১৬

অন্যান্য বিষয়ৰ লগতে ৰাষ্ট্ৰসমূহৰ মাজত আৰু সকলো বৰ্ণভিত্তিক তথা ধৰ্মীয় গোটৰ মাজত বুজাবুজি, সহিষ্ণুতা, শান্তি আৰু বন্ধুত্বপূৰ্ণ সম্বন্ধ দৃঢ়তৰ কৰি তুলিবলৈ এই ক্ষেত্ৰসমূহত শিক্ষা, প্ৰশিক্ষণ আৰু গৱেষণাৰ দৰে সক্ৰিয়তাৰ জৰিয়তে সকলো মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতা-বিষয়ক প্ৰশ্ন সন্দৰ্ভত ৰাইজক অধিক সজাগ কৰি তোলাৰ দিশত ব্যক্তি, অনাচৰকাৰী সংগঠন আৰু সংশ্লিষ্ট প্ৰতিষ্ঠানসমূহৰ এক

গুৰুত্বপূৰ্ণ ভূমিকা ৰূপায়ণ কৰিব লগা আছে; ইয়াকে কৰোঁতে তেওঁলোকে সমাজ আৰু সম্প্ৰদায়সমূহৰ পৃষ্ঠভূমি মনত ৰখা বাঞ্ছনীয়, য'ত তেওঁলোকে তেওঁলোকৰ সক্ৰিয়তা অব্যাহত ৰাখিছে।

অনুচ্ছেদ - ১৭

এই ঘোষণাত নিৰ্দেশ কৰা অধিকাৰ আৰু স্বাধীনতাসমূহ কাৰ্যকৰী কৰোঁতে ব্যক্তিগত আৰু সংঘবদ্ধভাৱে কাম কৰা প্ৰত্যেকেই এইবোৰ সীমাবদ্ধতাৰ দ্বাৰাহে প্ৰভাৱিত হ'ব, যিবোৰ আন্তৰ্জাতিক বাধ্যবাধকতা অনুযায়ী একমাত্ৰ মানৱ-অধিকাৰ আৰু স্বাধীনতাৰ প্ৰাপ্য স্বীকৃতি আদায়ৰ উদ্দেশ্যে আৰু কেৱল নৈতিকতা, ৰাজহুৱা শৃংখলা আৰু গণতান্ত্ৰিক সমাজৰ সমূহীয়া কল্যাণৰ প্ৰয়োজনত আইনৰ দ্বাৰা নিৰ্ধাৰিত হ'ব।

অনুচ্ছেদ - ১৮

১. সমাজৰ ভিতৰতে আৰু সমাজৰ প্ৰতি প্ৰত্যেক ব্যক্তিৰে

কৰণীয় আছে, একমাত্ৰ যিখন সমাজত তেওঁৰ মুক্ত আৰু পূৰ্ণ বিকাশ সম্ভৱপৰ।

২. গণতন্ত্ৰক সুৰক্ষিত কৰা, মানৱ-অধিকাৰ আৰু মৌলিক স্বাধীনতাসমূহ বিকশিত কৰা আৰু গণতান্ত্ৰিক সমাজ, প্ৰতিষ্ঠান আৰু পদ্ধতিবোৰৰ বিকাশ আৰু প্ৰগতিৰ হকে বৰঙনি যোগোৱাৰ দিশত ব্যক্তি, সামাজিক গোট, প্ৰতিষ্ঠান আৰু অনাচৰকাৰী সংগঠনসমূহৰ গধুৰ দায়িত্ব আৰু এক গুৰুত্বপূৰ্ণ ভূমিকা ৰূপায়ণ কৰিব লগা আছে।

৩. এক সামাজিক আৰু আন্তৰ্জাতিক শৃংখলালৈ প্ৰত্যেকৰে অধিকাৰৰ উত্তৰণ ঘটোৱাত উপযুক্তভাৱে বৰঙনি যোগোৱাত ব্যক্তি, জনসমষ্টি, প্ৰতিষ্ঠান আৰু অনাচৰকাৰী সংগঠনবোৰৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আৰু দায়িত্ব আছে, য'ত মানৱ-অধিকাৰৰ বিশ্বজনীন ঘোষণা আৰু অন্যান্য মানৱ-অধিকাৰ-বিষয়ক দলিলত দাঙি ধৰা

অধিকাৰ আৰু স্বাধীনতাসমূহ সম্পূৰ্ণৰূপে বাস্তৱায়িত কৰিব পৰা যায়।

অনুচ্ছেদ - ১৯

এই ঘোষণাত নিৰ্দেশ কৰা অধিকাৰ আৰু স্বাধীনতাসমূহৰ ক্ষতি কৰিব পৰা যিকোনো সক্ৰিয়তাত জড়িত কৰিবলৈ বা যিকোনো কাৰ্য সাধন কৰিবলৈ ব্যক্তি, গোট বা সমাজৰ অংগ বা যিকোনো ৰাষ্ট্ৰক অধিকাৰ দিয়া বুলি ধাৰণা জন্মাব পৰাকৈ এই ঘোষণাত সন্নিৱিষ্ট হোৱা একো কথাৰে ব্যাখ্যা হোৱা অনুচিত।

অনুচ্ছেদ - ২০

ৰাষ্ট্ৰসংঘৰ চনদত সন্নিৱিষ্ট ব্যৱস্থাৱলীৰ বিপৰীতে ব্যক্তি, জন-সমষ্টি, প্ৰতিষ্ঠান কিম্বা অনাচৰকাৰী সংগঠনসমূহৰ সক্ৰিয়তাক সহযোগ আৰু সমৰ্থন কৰিবলৈ ৰাষ্ট্ৰসমূহক অনুমতি দিয়া বুলি এই ঘোষণাত সন্নিৱিষ্ট একো কথাৰে ব্যাখ্যা হোৱা অনুচিত।